**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------------------------------

১। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৩৮ জন প্ৰাৰ্থীৰ মনোনয়ন দাখিল। ৩০ অক্টোবৰ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

২। ৰাজ্য চৰকাৰৰ চতুৰ্থবৰ্গৰ পদৰ বাবে কাইলৈ অনুষ্ঠিত হ'বলগীয়া প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত পুৱা চাৰে ৮ বজাৰ পৰা বিয়লি ৪ বজালৈকে ইণ্টাৰনেট সেৱা ব্যাহত ৰখাৰ সিদ্ধান্ত।

৩। ন্যায়পালিকাকে ধৰি সকলো ক্ষেত্ৰতে মহিলাসকলক অধিক সক্ৰিয়তাৰে অংশগ্ৰহণ কৰিবলৈ দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ আহ্বান।

৪। বিশিষ্ট সাহিত্যিক তথা বিস্ময় আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদক শশী ফুকনৰ দেহাৱসান। ***আৰু***

৫। ভাৰতৰ বিৰুদ্ধে পুণেত চলি থকা দ্বিতীয়খন টেষ্টৰ দ্বিতীয় ইনিংছত নিউজিলেণ্ডৰ কালি ৫ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৯৮ ৰানৰ পৰা আজি তৃতীয় দিনাৰ খেল আৰম্ভ।

০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ বাবে ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰিছে। কালি অন্তিম দিনটোত আটাইকেইটা ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীকে ধৰি মুঠ ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। কালি বিহালী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী জয়ন্ত বৰাই কংগ্ৰেছৰ ৰাজ্যিক সমিতিৰ শীৰ্ষ নেতৃত্বৰ লগতে সাংসদ গৌৰৱ গগৈ উপস্থিতিত মনোনয়ন দাখিল কৰে। আনহাতে ছিদলী বিধানসভা সমষ্টিৰ বি পি এফৰ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত আৰু বঙাইগাঁৱৰ অগপৰ প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰীয়ে দলৰ সভাপতি অতুল বৰা, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, সাংসদত্ৰয় ফণী ভূষণ চৌধুৰী, জয়ন্ত বসুমতাৰী আৰু ৰণগৌৰা নাৰ্জাৰীকে ধৰি বহু জ্যেষ্ঠ নেতা তথা সমৰ্থকক সংগী কৰি মনোনয়ন পত্ৰ দাখিল কৰে। সমষ্টিটোৰ কংগ্ৰেছৰ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহয়ো কালি মনোনয়ন পত্ৰ দাখিল কৰে। সিংহই মনোনয়ন পত্ৰ দাখিলৰ সময়ত কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতাদ্বয় ভূপেন বৰা আৰু মীৰা বৰঠাকুৰ উপস্থিত থাকে।

ইপিনে, আম আদমী পাৰ্টীৰ প্ৰাৰ্থী অনন্ত গগৈয়ে বিহালীত আৰু নুৰুল আমীন চৌধুৰীয়ে চামগুৰিত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলপৰ্বত নুৰুল আমীন চৌধুৰীৰ লগত আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ দলীয় নেতা উপস্থিত থাকে। অনন্ত গগৈৰ সৈতেও দলৰ ৰাষ্ট্ৰীয় তত্বাৱধায়ক ৰাজেশ শৰ্মাকে ধৰি ৰাজ্যিক পৰ্যায়ৰ কেইবাজনো নেতা উপস্থিত থাকে।

অহা সোমবাৰে মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব। উল্লেখযোগ্য যে অহা ১৩ নৱেম্বৰত ধলাই, চামগুৰি, বিহালী, চিদলী আৰু বঙাইগাঁও বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে শাসকীয় ভাৰতীয় জনতা পাৰ্টিয়ে ৩ খন আৰু মিত্ৰদল ইউপিপিএল তথা অসম গণ পৰিষদ দলে এখনকৈ আসনৰ বাবে

মনোনয়ন দাখিল কৰিছে। ইয়াৰ বিপৰীতে কংগ্ৰেছ দলে পাঁচোটা, আম আদমী পাৰ্টিয়ে দুটা আৰু বিপিএফে এটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগবাঢ়িছে।

ধলাই বিধানসভা সমষ্টিটো উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। এই সন্দৰ্ভত বিতং তথ্যৰ বাবে সংযুক্ত হৈছো আমাৰ কৰিমগঞ্জৰ সংবাদদাতা জাকাৰিয়া ৰহমানৰ সৈতে-

ভইচ কাষ্ট (জাকাৰিয়া ৰহমান)

০০০০০০

কাইলৈ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধীনত অনুষ্ঠিত হ'বলগীয়া চতুৰ্থ বৰ্গৰ লিখিত পৰীক্ষা নিকাভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি পুৱা চাৰে ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ ইণ্টাৰনেট সেৱা বন্ধ ৰখা হ'ব। ৰাজ্যত গৃহ আৰু ৰাজনৈতিক বিভাগৰ হৈ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে এটা বিবৃতিযোগে এই কথা সদৰি কৰাৰ লগতে সকলোকে যুৱপ্ৰজন্মৰ ভৱিষ্যতৰ স্বাৰ্থত সহযোগিতা কৰিবলৈ আহ্বান জনাইছে। চৰকাৰৰ নিৰ্দেশনা ভংগ কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ ২০২৩ ধাৰা আৰু ইণ্ডিয়ান টেলিগ্ৰাফ এক্টৰ সংশ্লিষ্ট ব্যৱস্থাৰ অধীনত শাস্তি বিহা হ'ব বুলিও বিবৃতিটোত কোৱা হৈছে।

উল্লেখযোগ্য যে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ তত্বাৱধানত কাইলৈ ৰাজ্যৰ ২৮ খন জিলাত ৪২টা বিভাগৰ চতুৰ্থ বৰ্গৰ মুঠ ৫ হাজাৰ ২৩টা খালী পদৰ বাবে অনুষ্ঠিত হ'বলগীয়া  এই পৰীক্ষাত এহেজাৰ ৪৮৪টা কেন্দ্ৰত ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। ইয়াৰে প্ৰথম প্ৰশ্নকাকতত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থী ৮ লাখ ২৭ হাজাৰ ১৩০ গৰাকী আৰু দ্বিতীয় প্ৰশ্নকাকতত ৫ লাখ ৫২ হাজাৰ দুগৰাকী। পুৱা ৯ বজাৰ পৰা দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে আৰু ডেৰ বজাৰ পৰা অষ্টম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হ'ব। মহিলা পৰীক্ষাৰ্থীৰ তালাচীৰ বাবে মহিলা আৰক্ষীৰ সৈতে অংগনৱাড়ী আৰু আশাকৰ্মী উপস্থিত থাকিব বুলি নিযুক্তি আয়োগে জানিবলৈ দিছে। প্ৰশিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে উত্তৰ পূৱ সীমান্ত ৰে'লৱেই আজিৰে পৰা ৰাজ্যত ৫ খন বিশেষ ৰে'লৰ চলাচলৰ ব্যৱস্থা কৰিছে। ৰে'লৰ সূচী অনুসৰি চলাচল কৰিবলগীয়া বিশেষ ৰেলগাড়ীকেইখন হ'ল কৰিমগঞ্জ-শিলচৰ-কৰিমগঞ্জ, মৰিয়নি-নাৰেঙ্গী-মৰিয়নি, হয়বৰগাঁও-গুৱাহাটী-হয়বৰগাঁও, আলিপুৰ দুৱাৰ-কামাখ্যা-আলিপুৰ দুৱাৰ আৰু জামিৰা-শিলচৰ-জামিৰা।

০০০০০০

দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে ন্যায়পালিকাকে ধৰি সকলো ক্ষেত্ৰতে মহিলাসকলক অধিক সক্ৰিয়তাৰে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত তেওঁ কয় যে, ইয়াৰ জৰিয়তে মহিলাসকলৰ অভিজ্ঞতাসমূহ প্ৰকাশ পাব আৰু সিদ্ধান্ত গ্ৰহণত যথেষ্ট সহায়ক হ'ব। মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে, জিলা ন্যায়পালিকাসমূহৰ বাবে দেশজুৰি অনুষ্ঠিত পৰীক্ষাসমূহৰ জৰিয়তে নিযুক্তি লাভ কৰাসকলৰ ভিতৰত মহিলাৰ সংখ্যা ৫০ শতাংশতকৈও অধিক। ইয়াৰ জৰিয়তে ভৱিষ্যতে ন্যায়পালিকাৰ বিভিন্ন উচ্চ পদলৈ মহিলাসকল অগ্ৰসৰ হোৱাৰ পথ প্ৰশস্ত হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। তেওঁ কয় যে-

**বাইট**

০০০০০০

ৰাজ্যৰ বিশিষ্ট সাহিত্যক তথা জনপ্ৰিয় আলোচনী **বিস্ময়**ৰ প্ৰকাশক তথা প্ৰতিষ্ঠাপক সম্পাদক শশী ফুকনৰ কালি দেহাৱসান ঘটে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা

সাহিত্যিকগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৮ বছৰ। বিশ্বনাথ চাৰিআলিত জন্মগ্ৰহণ কৰা প্ৰয়াত ফুকনে বিগত পাঁচটা দশক ধৰি বিস্ময় আলোচনীখনৰ জৰিয়তে অসমীয়া সাহিত্যলৈ প্ৰভূত বৰঙণি আগবঢ়াই থৈ গৈছে। ১৯৬৯ চনত আলোচনীখনৰ প্ৰথম প্ৰকাশৰ পিছত ফুকন পৰৱৰ্তী সময়ত ৰংঘৰ আৰু প্ৰিয় সখী নামৰ আলোচনী দুখনৰ সৈতেও জড়িত হৈ পৰিছিল।

সাহিত্যিকগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে ৰাজ্যৰ বিভিন্ন দল-সংগঠন আৰু পঢ়ুৱৈ সমাজে শোক প্ৰকাশ কৰিছে। প্ৰয়াত ফুকনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি অসম প্ৰকাশন পৰিষদৰ সম্পাদ প্ৰমোদ কলিতাই এইদৰে কয়—

**(বাইট)**

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় কাইলৈ গুৱাহাটীত উপস্থিত হ'ব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজ গুৱাহাটীৰ একবিংশ আন্তঃৰাষ্ট্ৰীয় সমাৱৰ্তনত অংশ ল'ব। তেওঁ লগতে ৰাজভৱনলৈও যোৱাৰ কথা আছে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ ভোজমেলতো অংশগ্ৰহণ কৰিব।

০০০০০০

অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ আজি দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ জ্যোতি চিত্ৰবনত আৰম্ভ হৈছে। প্ৰবাল খাউণ্ড পৰিচালিত আৰু গোপাল জালানৰ লগতে ধ্ৰুৱজ্যোতি কাকতি প্ৰযোজিত দ্যা লাষ্ট জেনেৰেচন ছবিৰে মহোৎসৱৰ উদ্বোধন কৰা হ'ব। এই মহোৎসৱত ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবিৰ প্ৰদৰ্শন কৰা হ'ব। প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী- এই দুয়োটা শাখাত ছবিসমূহ প্ৰদৰ্শন কৰা হ'ব। বিশ্ব সংবাদকেন্দ্ৰ, অসমৰ সহযোগী অনুষ্ঠান চলচিত্ৰমৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ মূল বিষয়বস্তু হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মূল বিষয়বস্তুৰ উপৰি মহোৎসৱত ভূমি আৰু মানুহ, পৰ্যটন, কলা, হস্তশিল্প আৰু বস্ত্ৰ, পাণ্ডুলিপি আৰু পাণ্ডুলিপি চিত্ৰাংকন, চিত্ৰাংকন আৰু কাঠত খোদাই কৰা কলা, সংগীত আৰু সংগীতজ্ঞ, সাংস্কৃতিক উৎসৱ, স্মৃতি সৌধ আৰু ঐতিহ্যক্ষেত্ৰ, সমাজ সংস্কাৰক আৰু আগৰণুৱাসকলক, ক্ৰীড়া, চাহ আৰু তৈল উদ্যোগ, সংস্কৃতি আৰু মূল্যবোধ, সামাজিক সজাগতা, পৰিয়াল ব্যৱস্থা, মহিলা, পৰিৱেশ আদি বিষয়কো প্ৰাধান্য দিয়া হৈছে। চলচ্চিত্ৰৰ জৰিয়তে ৰাষ্ট্ৰীয়তাবাদক উৎসাহিত কৰাৰ লগতে ভাৰতৰ কেইবা হাজাৰবৰ্ষ পুৰণি সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যক শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০০

গুৱাহাটী মহানগৰীত ডেংগুৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। কামৰূপ মহানগৰ জিলাৰ ৮টা স্থানত ডেংগু পৰীক্ষা কেন্দ্ৰ তথা ফ'গিঙৰ সুবিধাৰ

বাবে কেইবাটাও যোগাযোগ নম্বৰ মুকলি কৰা হৈছে। মহানগৰীৰ ভাস্কৰনগৰ, ৰংমিলি পথ, মিলিজুলি পথ, গীতানগৰ, কলনি বজাৰ, কৃষ্ণ নগৰ, গণেশপাৰা আদি অঞ্চলসমূহত ফ'গিঙৰ বাবে ৰাইজে ৭০৮৬৬-৪১৪৬৩ বা ৮৬৩৮৮-৮৩৯৬৯ নম্বৰত যোগাযোগ কৰিব পাৰিব। লগতে ধীৰেনপাৰা, হাতীগড় চাৰিআলি, মঠঘৰীয়া, পূব গুৱাহাটী, কৃষ্ণনগৰ, ওদালবাক্রা, ফটাশিল আমবাৰী আৰু পাণ্ডুৰ বিভিন্ন ৰাজ্যিক চিকিৎসালয় তথা প্রাথমিক স্বাস্থ্য কেন্দ্রত ডেংগু পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। লগতে এটা প্রেছ বিজ্ঞপ্তিযোগে অতিমাত্রা জ্বৰ, মূৰৰ বিষ, মাংসপেশীৰ বিষ, চকু ৰঙা পৰা নাক আৰু দাঁতৰ আলুৰ পৰা তেজ ওলোৱা আদি সমস্যাত ভূগিলেই ততালিকে নিকটৱৰ্তী স্বাস্থ্যকেন্দ্রৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

আবুধাবিত অনুষ্ঠিত পঞ্চম IUCN SSC Leaders সন্মিলনত সংৰক্ষণৰ নেতৃত্বৰ বাবে আৰণ্যক সংগঠনৰ মুখ্য কাৰ্যবাহী বিষয়া তথা অসম ৰাজ্যিক বন্য প্রাণী বোৰ্ডৰ সদস্য ড০ বিভৱ তালুকদাৰক সন্মানীয় হেৰি মেছেল বঁটা প্রদান কৰা হয়। মুখ্যমন্ত্রী ড০  হিমন্ত বিশ্ব শৰ্মাই ড০ তালুকদাৰলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে অসমৰ গড় সংৰক্ষণৰ সাফল্যক বিশ্ব দৰবাৰলৈ অনাৰ ক্ষেত্রত ড০ বিভৱ তালুকদাৰৰ প্রচেষ্টাক প্রশংসা কৰে।

০০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ  দ্বিতীয় ইনিংছত কালি ৫ উইকেটৰ বিনিময়ত সংগ্রহ কৰা ১৯৮ ৰানৰ পৰা আজি তৃতীয়দিনাৰ খেল আৰম্ভ কৰিব। গ্লেন ফিলিপছে ৯ ৰান আৰু টম ব্লাণ্ডেলে ৩০ ৰান কৰি অপৰাজিত হৈ আছে। হাতত ৫টা উইকেট বাকী থকা অৱস্থাত আলহী দলটো সামগ্রিকভাৱে ৩০১ ৰানত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্রথম ইনিংছত সংগ্রহ কৰা ২৫৯ ৰানৰ প্রত্যুত্তৰত ভাৰতে ১৫৬ ৰানতে প্রথম ইনিংছ সামৰে। নিউজিলেণ্ডৰ অলৰাউণ্ডাৰ মিছেল ছেণ্টনাৰে ৭টা উইকেট দখল কৰে। নিউজিলেণ্ড এই তিনিখনীয়া শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

০০০০০০

ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্রতিযোগিতাৰ এখন খেলত আজি নৰ্থ-ইষ্ট ইউনাইটেড এফ চি-জামছেদপুৰ এফ চিৰ মুখামুখি হ'ব। গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া খেলখন সন্ধিয়া ৫ বজাত আৰম্ভ হ'ব।

ইপিনে কালি কোচ্চিত অনুষ্ঠিত এখন খেলত বেংগালুৰু অফ চি দলে কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে ৩-১ গলৰ ব্যৱধানত জয়লাভ কৰে।

০০০০০০

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধীনত চতুৰ্থবৰ্গৰ ৫ হাজাৰ ২৩টা খালী পদৰ বাবে কাইলৈ পুৱা ৯ বজাৰ পৰা দুটা ভাগত ৰাজ্যৰ ২৮খন জিলাৰ ২ হাজাৰ ২৯২টা পৰীক্ষা কেন্দ্রত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। এই বাতৰিটো দৈনিক অসম, অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা আদি কাকতে প্রথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্রকাশ কৰিছে।

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে সৰ্বমুঠ ৩৮টা প্রাৰ্থীয়ে মনোনয়ন পত্র দাখিল কৰিছে। এই বাতৰিটো দৈনিক অসম কাকতে প্রথম পৃষ্ঠাত গুৰুত্বপূৰ্ণ স্থান দিছে।

উপ-নিৰ্বাচনৰ পূৰ্বে কেৰালাত মুখ্য নিৰ্বাচনী বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে অসম সন্তান তথা আই এ এছ বিষয়া প্রণৱজ্যোতি নাথক। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতখনে প্রথম পৃষ্ঠাত প্রকাশ কৰিছে।

চামগুৰিৰ পৰা বিশাল সমদল কৰি চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই নগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয়ত ৰিটাৰ্নিং বিষয়াৰ হাতত মনোনয়ন পত্ৰ প্ৰদান কৰে, সমদলত কেইবা সহস্ৰ বিজেপি আৰু অগপৰ কৰ্মী-সমৰ্থকে অংশগ্ৰহণ কৰে। এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া বিনোদন সাহিত্যৰ যুগস্ৰষ্টা বিস্ময়ৰ প্ৰাণপুৰুষ বিশিষ্ট সাহিত্যিক শশী ফুকনৰ বিয়োগৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বপূৰ্ণ স্থান দিছে।

ভাৰতীয় অসামৰিক সেৱাৰ মূল পৰীক্ষাৰ সংৰক্ষিত তালিকাত ৮৭ সংখ্যক স্থান লাভ কৰে অসমৰ আকাশ নীল শৰ্মাই। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অতীত হোৱাৰ পথত এশিঙীয়া গঁড়ৰ প্ৰতীক সম্বলিত ৰঙা বাছ, ৰূপনগৰৰ চৌহদত কৰুণ দৃশ্য। বছৰি গড়ে উপাৰ্জন ১৫০-১২০ কোটিৰ বিপৰীতে ব্যয় ২০৫-২১০ কোটি টকা শিৰোনামেৰে এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

EIGHT ONLINE TRADING SCAM ACCUSED BROUGHT TO GUWAHATI, LIKELY TO APPEAR BEFORE SPECIAL CBI COURT ON OCTOBER 30 বাতৰিটো দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – মূল্যবৃদ্ধিত মানসিকভাৱে ভাৰাক্ৰান্ত বহু পৰিয়াল, অসমলৈ এডিবিৰ ৩ হাজাৰ ৬০০ কোটি টকাৰ ঋণ মঞ্জুৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন। ০০০০০০০০

০০০০০০

সমাপ্ত